# ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি) উন্নীতকৰণ সন্দৰ্ভত ৰাজহুৱা জাননী

NRC NATIONAL REGISTER OF CITIZENS

❶ অসমত নাগৰিকপঞ্জী উন্নীতকৰণৰ প্ৰক্ৰিয়া নাগৰিকত্ব আইন, ১৯৫৫ আৰু নাগৰিকত্ব বিধি, ২০০৩ৰ ব্যৱস্থাৱলীৰ আধাৰত চলি আছে।

❷ নাগৰিকপঞ্জী উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তত্ত্বাৱধানত সম্পূৰ্ণ স্বচ্ছতাৰে কৰি থকা হৈছে।

❸ অসম চুক্তিৰ আধাৰত ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা) পৰ্য্যন্ত নিৰ্ধাৰিত সময়সীমাক ভিত্তি কৰি কেৱল প্ৰকৃত ভাৰতীয় নাগৰিকসকলৰ নামহে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত কৰা হ'ব।

❹ প্ৰতিজন আবেদনকাৰীৰ নাগৰিকত্বৰ সত্যাসত্যতাৰ সন্দৰ্ভত সুক্ষ্ম আৰু বিস্তৃত পৰীক্ষণৰ পিছত খচৰা নাগৰিকপঞ্জী প্ৰকাশ কৰা হ'ব।

❺ নাগৰিকপঞ্জী কেৱল ভাৰতীয় নাগৰিকসকলৰ নামভুক্ত এখন তালিকা হ'ব। খচৰা আৰু চুড়ান্ত নাগৰিকপঞ্জীত 'অৰিজিনেল ইনহেবিটেন্ট' বা আন কোনো ধৰণৰ শ্ৰেণীকৰণ কৰা নহয়।

❻ আবেদনকাৰীসকলে দাখিল কৰা নথি-পত্ৰ বা তথ্যত কিবা বিসংগতি থাকিলে এনআৰচি সেৱা কেন্দ্ৰৰ পৰা পৰীক্ষণকাৰীৰ দল আৱেদনকাৰী বসবাস কৰা এলেকালৈ যোৱাৰ সময়ত আৱেদনকাৰীয়ে এনে বিসংগতি দূৰীকৰণৰ বাবে পৰ্য্যাপ্ত সুযোগ পাব।

❼ খচৰা নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্ত নহ'লে আবেদনকাৰীসকলে খচৰা নাগৰিকপঞ্জী প্ৰকাশ হোৱা তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত নিৰ্ধাৰিত প্ৰ-পত্ৰৰ লগত প্ৰয়োজনীয় নথি পত্ৰ সংলগ্ন কৰি নাম অন্তৰ্ভুক্তিৰ বাবে দাবী (claim) দাখিল কৰাৰ সুযোগ পাব। খচৰা নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত হোৱা নামৰ বিৰুদ্ধে কিবা আপত্তি থাকিলে আপত্তি (objection)ও দাখিল কৰিব পাৰিব।

❽ জনসাধাৰণক কোনো দুষ্টচক্ৰৰ দ্বাৰা প্ৰচাৰিত উৰা বাতৰি বা অপপ্ৰচাৰত কাণ নিদিবলৈ অনুৰোধ জনোৱা হ'ল। প্ৰকৃত সকলো ভাৰতীয় নাগৰিকৰ নাম নিশ্চিতভাৱে নাগৰিকপঞ্জীত সন্নিবিষ্ট হ'ব। এই সংক্ৰান্তত কিবা জানিবলগীয়া থাকিলে—

- **ক** সংশ্লিষ্ট এনআৰচি সেৱা কেন্দ্ৰ (এন এছ কে) বা ৰাজহ চক্ৰ বিষয়া আৰু নাগৰিক পঞ্জীয়নৰ চক্ৰ পঞ্জীয়ক (চি আৰ চি আৰ) বা জিলা উপায়ুক্ত আৰু নাগৰিক পঞ্জীয়নৰ জিলা পঞ্জীয়ক (ডি আৰ চি আৰ)ৰ লগত যোগাযোগ কৰিব পাৰে।
- **খ** এনআৰচিৰ ২৪×৭ বিনামূলীয়া হেল্পলাইন নম্বৰ ১৫১০৭ (অসমৰ বাবে) আৰু ১৮০০৩৪৫৩৭৬২ নম্বৰত (অসমৰ বাহিৰৰ পৰা) ফোন কৰিব পাৰে।
- **গ** আমাৰ ৱেবচাইট **www.nrcassam.nic.in** চাব পাৰে আৰু 'কমপ্লেইন্টচ্ এণ্ড ফিডবেক্' পৃষ্ঠাৰ ওপৰত ক্লিক কৰি আপোনাৰ অভিযোগ পঞ্জীয়ন কৰিব পাৰে।

Exclusive/NRC/11-17

**ৰাজ্যিক সমন্বয়ক, এনআৰচি, অসম চৰকাৰ**

আৰু

**নাগৰিক পঞ্জীয়নৰ মহা পঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত।**

বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে | আমাৰ বিনামূলীয়া হেল্পলাইন নম্বৰ ১৫১০৭ | আমাৰ ৱেবচাইট www.nrcassam.nic.in | nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক